**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-Feb-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***
—————————————————

দেশৰ আন্তঃগাঁথনি, প্ৰতিৰক্ষা আৰু কৃত্ৰিম বুদ্ধিমত্তা খণ্ডত বিশেষ গুৰুত্ব প্ৰদানেৰে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি সংসদত ৫৩ দশমিক ৫ লাখ কোটি টকাৰ ২০২৬-২৭ বৰ্ষৰ বাজেট দাখিল কৰে। এইবেলি বাজেটত সৰ্বমুঠ ১২ দশমিক ২ লাখ কোটি টকা মূলধনী ব্যয় হিচাপে ধাৰ্য কৰা হৈছে। এই পৰিমাণ বিগত ১০ বছৰৰ ভিতৰত সৰ্বাধিক। এইবেলি বাজেটত আন্তঃগাঁথনিৰ সংস্কাৰৰ জৰিয়তে সৰ্বাত্মক অৰ্থনৈতিক প্ৰগতি সাধনৰ প্ৰয়াস কৰা হৈছে। চৰকাৰে ২০২৬-২৭ বৰ্ষত বিত্তীয় ঘাটি মুঠ ঘৰুৱা উৎপাদনৰ চাৰি দশমিক তিনি শতাংশ হ'ব বুলি আশা কৰিছে।

এইবাৰ উত্তৰ-পূবৰ বাবে ধাৰ্য কৰা ড'নাৰ মন্ত্ৰালয়ৰ বাজেট ১৫ শতাংশ বৃদ্ধি হৈছে। বাজেটত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন শিতানৰ মুঠ ১ লাখ ৮ হাজাৰ ৩৩৫ কোটি টকা ধাৰ্য কৰা হৈছে। বাজেটত উত্তৰ-পূবৰ ৫ খন ৰাজ্যত ৫টা বিশেষ পৰ্যটনস্থলী স্থাপন আৰু উন্নয়নৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইয়াৰ লগতে অঞ্চলটোৰ যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ বাবে ৪ হাজাৰখন ই-বাছৰ চলাচলৰ বাবেও বাজেটত প্ৰস্তাৱ দিয়া হয়। অসম, অৰুণাচল প্ৰদেশ, ছিকিম, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত বৌদ্ধধৰ্মৰ সৈতে জড়িত তীৰ্থস্থানসমূহৰ বিকাশৰ আঁচনিতো বাজেটৰ জৰিয়তে অনুমোদন জনোৱা হয়।

মানসিক স্বাস্থ্যৰ চিকিৎসা আৰু উন্নতিৰ বাবে বিশেষ গুৰুত্ব আৰোপ কৰি বাজেটত ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য প্ৰতিষ্ঠানৰ এটা দ্বিতীয় শাখা খোলাৰ বাবে প্ৰস্তাৱ দিয়া হয়। চৰকাৰে ৰাঁচী আৰু তেজপুৰৰ ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য প্ৰতিষ্ঠানকেইটাকো বিশেষ ধৰণে উন্নত কৰাৰ প্ৰস্তাৱত অনুমোদন জনায়। বাজেটত উত্তৰ-পূৰ্বাঞ্চলত এখন নতুন ৰাষ্ট্ৰীয় ডিজাইন প্ৰতিষ্ঠান স্থাপনৰ প্ৰস্তাৱো দিয়া হয়।

কেন্দ্ৰীয় বাজেটত এইবাৰ প্ৰতিৰক্ষা খণ্ডত সৰ্বাধিক ধন ধাৰ্য কৰা হৈছে। প্ৰতিৰক্ষা খণ্ডৰ বাবে ৭ দশমিক ৮-৫ লাখ কোটি টকা মঞ্জুৰ কৰা হৈছে। ইয়াৰে বুজন সংখ্যক সেনা বাহিনীৰ আধুনিকীকৰণৰ বাবে ব্যয় কৰা হ'ব। অপাৰেচন সিন্দূৰৰ পাছত দেশৰ প্ৰতিৰক্ষা খণ্ডত অধিক আত্মনিৰ্ভৰ আৰু শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে চৰকাৰে প্ৰতিৰক্ষাৰ শিতানত বিশেষ গুৰুত্ব আৰোপ কৰিছে।

বাজেটত স্বাস্থ্যখণ্ডৰ বাবে ১ দশমিক ৬ লাখ কোটি টকা মঞ্জুৰ কৰা হৈছে। ২০২৫-২৬ বিত্তীয় বৰ্ষত কৈ এইবেলি ১০ শতাংশ অধিক ধন মঞ্জুৰ কৰা হৈছে। এইবেলি স্বাস্থ্য, গৱেষণা বিভাগৰ বাবে ৪ দশমিক ৮ হাজাৰ কোটি ধন আৱণ্টন কৰা হৈছে। কেন্দ্ৰীয় বাজেটত সাৰ বিভাগৰ বাবে ১ দশমিক ৭-১ লাখ কোটি টকা মঞ্জুৰ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বাজেটক আদৰণি জনাইছে। তেওঁ বাজেটৰ জৰিয়তে অসম যথেষ্ট উপকৃত হ'ব বুলি মন্তব্য কৰে।

বাইট

oooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ লখিমপুৰ জিলাৰ বিহপুৰীয়া বিধানসভা সমষ্টিত আনুষ্ঠানিকভাৱে মহিলা উদ্যমিতা আঁচনিৰ ধন বিতৰণ কৰিব। সমষ্টিটোৰ আত্মসহায়ক গোটৰ ৩০ হাজাৰৰো অধিক মহিলালৈ মুখ্যমন্ত্ৰী

ড০ শৰ্মাই ১০ হাজাৰ টকাকৈ আঁচনিৰ প্ৰথম কিস্তিৰ ধন আগবঢ়াব। ইয়াৰ লগতে মুখ্যমন্ত্ৰীগৰাকীয়ে জিলাখনত কেইবাটাও প্ৰকল্পৰ উদ্বোধন কৰাৰ লগতে আধাৰশিলা স্থাপন কৰিব। তেওঁ নাৰায়ণপুৰত ৫৭ কোটি টকা ব্যয় সাপেক্ষ নিৰ্মিত মাধৱদেৱ বিশ্ববিদ্যালয়ৰ নতুন চৌহদ উদ্বোধন কৰিব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই শ্ৰীশ্ৰী মাধৱদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী বদলা পদ্ম আতা কলা তীৰ্থ মুকলি কৰিব। এই প্ৰকল্পৰ বাবে ২২ কোটি টকা ব্যয় কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে তাতিবাহাৰত পিছলা ক্ৰীড়া সন্থা খেলপথাৰত ষ্টেডিয়াম মুকলি কৰিব। এই প্ৰকল্পৰ বাবে ৰাজ্য চৰকাৰে ১১ কোটি টকা ব্যয় কৰিছে। ইয়াৰ লগতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই নাৰায়ণপুৰত শ্ৰীশ্ৰী ধুৰাহাট বেলগুড়ি সত্ৰৰ আন্তঃগাঁথনি উন্নয়নৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পৰ বাবে চৰকাৰে ২০ লাখ টকা ধাৰ্য্য কৰিছে।

০০০০০০

চৰকাৰী কৰ্মচাৰীসকলৰ পাৰস্পৰিক বদলিৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি আনুষ্ঠানিকভাৱে দ্বিতীয় পৰ্যায়ৰ স্বাগত সতীৰ্থ প'ৰ্টেল মুকলি কৰিব। দিছপুৰৰ লোকসেৱা ভৱনত পুৱা ৯ বজাত এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। তৃতীয় আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলে এই প'ৰ্টেলৰ জৰিয়তে পাৰস্পৰিক বদলিৰ বাবে আবেদন জনাব পাৰিব।

০০০০০০

**সমাপ্ত**